# হেবিটেট

ৰাতি শুবলৈ ওলাই দেখিলোঁ তুলিৰ ওপৰত বিছনাচাদৰখন নাই, গাৰুকেইটাত গিলিপবোৰ নাই। আজি পুৱা চাহৰ মেজত অৱশ্যে এওঁ এবাৰ কৈছিল, "তোমাৰ বিছনাখন আৰু চাব নোৱৰা হৈছে, আজি সেইবোৰ ধোবাত দিম, ইমান লেতেৰা বিছনাত আৰু মানুহে শোৱেনে, ৰাম-ৰাম, চাহৰ চেকা, ঘামৰ গোন্ধ, গাৰুত চিগাৰেটৰ ছাইৰ দাগ—তোমালোকেহে পাৰা আৰু তেনেকৈ থাকিবলৈ—আজি ধোবাই আগৰ কাপোৰবোৰ দিয়াৰ কথা, বিছনাচাদৰ, গাৰু-ৱাৰ্ বদলাই দিম, নহ'লে থাকিবা আৰু এটা ৰাতি শুদা তোচকখনৰ ওপৰতে—"

অৰ্থাৎ আজি বোধহয় ধোবাই পুৰণি লন্ড্ৰীখিনি নিদিলে। ইংৰাজৰ শোৱনি-কোঠাটো হেনো তেওঁৰ দুৰ্গ (An Englishman's bedroom is his castle),আৰু মোৰ বাবে মোৰ বিছনাখন হ'ল দৈনন্দিন জগতৰপৰা অন্তৰিত মোৰ ব্যক্তিগত বিৰামৰ দ্বীপ—ইউৰোপ-আমেৰিকাৰ কোনো-কোনো ধনকুবেৰ 'টাইকুন'ৰ যেনেকৈ থাকে দূৰ সাগৰৰ মাজত নিজা-নিজা নিভৃত দ্বীপ—মোৰ একান্ত অন্তৰংগ আবাসস্থল, মোৰ নিজা 'হেবিটেট্' (habitat)—

মই চাহৰ কাপত চুমুক দিছোঁ আৰু নিৰ্লিপ্তভাৱে কৈছোঁ, "অ, হ'ব দিয়া" আৰু দ্বিতীয় এপিয়লাৰ বাবে কাপটো আগুৱাই দিছোঁ, তেতিয়া চকুত পৰিছে যে কাপটো দেখোন বেলেগ, মোৰ অভ্যস্ত কাপটো নহয়—"অ', এইটো আকৌ কি কাপ উলিয়ালা?" এওঁ চাহ ঢালি-ঢালি কৈছে, "কিয়, কালি যে প্ৰীতি বাইদেউৰ লগত মুকুল ষ্টʼৰ্ছৰপৰা নতুন ছে'টটো কিনিলোঁ, কালি দেখোন বঢ়িয়া হৈছে বুলি কৈছিলা—" "অ, বঢ়িয়াই হৈছে, ডিজাইনটোও বঢ়িয়া, কিন্তু এইবোৰ ফেন্সী কাপ-প্লেট সদায় ইউজ্ নকৰাই ভাল নেকি, যিহে আমাৰ ঘৰ, দুদিনতে ভাঙি-ছিঙি শেষ হ'ব—আলহী-টালহী আহিলে উলিয়ালেই হ'ল—মোক মোৰ পুৰণি কাপটোতে দিবাচোন, তাতে মোৰ পৰিমাণটোও ঠিক হয়, খায়ো তৃপ্তি পাওঁ—", এওঁ মুখত এটা আমনিৰ ভাব ফুটাই তুলিছে আৰু কৈছে, "পুৰণি দগধা কান ভঙা কাপটোত নাখালে হ'বলা চাহক চাহ যেন নালাগে, তোমাৰ দেখিছোঁ ভাল ৰুচি-টুচি চব গ'ল, ৰাম-ৰাম—"

ঠিক বুজি নাপালোঁ, মোৰ অভ্যস্ত কাপটো আৰু চাহৰ মেজত দেখিবলৈ পাম নে নাপাম—কানটো এঠাইত অকণমান ভাগিছে হয় (কাম কৰা বাইজনীয়ে বাচন-বৰ্তন যিহে থেকেচে), কিন্তু সেইটোনো কি ডাঙৰ কথা, চাহখিনি ভাল হ'লেইতো হ'ল—

"বাৰু চোৱাচোন কি ভাল দেখা", কূটনৈতিকভাৱে কৈছোঁ আৰু মেজৰপৰা উঠিছোঁ, এওঁ কৈছে "অ', আৰু আজি যেনেতেনে ব্লিছিং পাউডাৰখিনি আনিবলৈ নাপাহৰিবা, সদায় কৈ আছোঁ বাথৰুমটো ইমান পিছল হৈছে, কালি ৰাতিতো মই পৰি যাবই ধৰিছিলোঁ। কোনোবা দিনা মোৰ হাত-ভৰি ভাঙিলেহে দেখিছোঁ তোমাৰ হুঁচ আহিব—আজি যেনেতেনে ব্লিছিংখিনি আনিবা, বাথৰুমৰ মজিয়াখন ভালকৈ ঘঁহিব লাগিব—অ', আৰু 'নিল্ অডৰ' এটা—ইমান যে গোন্ধাই আছে বাথৰুমটো, গোন্ধ-ভাপ একো নোপোৱানে, তোমালোকৰ বাৰু নাক-কাণ একো নাই নেকি জানো, ৰাম-ৰাম—"

"অ', নিল্ অডৰ? বাৰু, হ'ব দিয়া।" বাথৰুম-প্ৰসংগ তাতেই বন্ধ কৰিলোঁ। নহ'লে হয়তো এওঁ আকৌ গীজাৰ এটা লগাই দিয়াৰ কথা ক'ব—সকলোৱে আজিকালি বাথৰুমত গীজাৰ এটা ৰাখেই, এই তো সিদিনা মিছেছ বৰবৰায়ো তেওঁলোকৰ বাথৰুমত নতুন গীজাৰ এটা লগাই লোৱা বুলি কৈছে—কিন্তু আমাৰ যি ভঙা-ছিঙা বাথৰুম, মজিয়াৰ পকী এৰাই গৈ নতুনকৈ চিমেন্ট ঢালি কোনোমতে জোৰা-টাপলি দি থোৱা, তেল চাবোনৰ শ্বেল্ফ্ দুখনতো বিশৃংখল দ'ম জমিছে, কাপোৰ-গামোচাৰ ৰড্‌কেইডালো লৰক-ফৰক, বেছিনটোও সদায় ধুই চিকচিকীয়াকৈ ৰাখিবৰ কাৰো দেখোন সময়েই নহয়, আইনাখনতো সদায় মকৰাই জাল বান্ধে, ধূলিৰ তৰপ, তাতে আকৌ ইমান হেজাৰ টকা খৰচ কৰি এটা মস্ত জকমকীয়া গীজাৰ বহুওৱাৰনো কি এনে দৰকাৰ—(যিহওক, ব্লিছিং পাউডাৰখিনি আনি দিছোঁ, 'নিল্ অডৰ' এটাও আনি দিছোঁ, আবেলি বাথৰুমৰ কাষেৰে পাৰ হৈ যাওঁতে গম পাইছোঁ আগৰ সেমেকা গোন্ধটো তল গৈছে, নতুন এটা মিঠা-মিঠা গোন্ধ বাহিৰ হৈছে—। যাওক তেনেহ'লে, আজি এনেকৈয়ে তুলিৰ ওপৰত শুই পৰিলেই হ'ব—সচকিত হৈ চালোঁ, আঁঠুৱাখন বা আছেনে নাই—আছে, বোধহয় খোলাৰ হেলাতে বা পাহৰি গৈ এওঁ খুলি নেপেলালে—

"তুমি শুলা নেকি? পাৰিবা নহয় আজিৰ ৰাতিটো এনেকৈ? অ', কালি লন্ড্ৰীখিনি পালে নতুন আঁঠুৱাখন তৰি দিম, এইখনো কালি ধুবলৈ দিম", "নাই, নাই, নালাগে, নতুনবোৰত তলৰ পিনে পট্টি নাই, লম্বা ঠিক নহয়, ঠিকমতে খোঁচা নাযায়, বহলো কম—মোৰ কাৰণে এইখনেই ওখই-বহলে ঠিক হয়, এইখনেই থাকক—", "নাঃ, চিগাৰেটৰ ধোঁৱা লাগি-লাগি কি যে

ৰং হৈছে আঁঠুৰাখনত, আঁঠুৰাৰ তলত চিগাৰেট খাবলৈ মানা কৰি আৰু নোৱাৰিলোঁ তোমাৰ বদভ্যাসটো গুচাব, ইমান যে লেতেৰাকৈ থাকিবলৈ ভাল পোৱা তুমি, ৰাম-ৰাম—", যাক, আজিৰ ৰাতিটো অন্ততঃ মোৰ আৰামৰ আঁঠুৰাখন পাম (অৱশ্যে মূৰৰ পিনে বাওঁহাতে এটা ফুটা বাহিৰ হৈছে, তাত এওঁৰ কাপোৰ তৰা ক্লিপ এটা চুৰ কৰি আনি লগাই ফুটাটো বন্ধ কৰি থৈছোঁ, কিন্তু কথাটো এওঁক কোৱা নাই, ক'লে চিলাই কৰিবলৈ খুলি লৈ যাব)।

দিনটো কিতাপ-কাকত পঢ়িবলৈ আজৰি নাপাওঁ, ৰাতিও প্ৰায় দহ মানলৈ বাহিৰৰ যান-বাহন আদিৰ গণ্ডগোলে আমনি কৰি থাকে, ন মানলৈতো ওচৰা-উচৰি দুখন কেছেটৰ দোকানে যেন ইখনে সিখনৰ লগত ফেৰ পাতি প্ৰচণ্ড আৱাজেৰে লাউড স্পীকাৰত কেছেট বজাই থাকে—মোৰ দ্বীপটোৰ ভিতৰত সোমালোঁ, মোৰ 'হেবিটেট্', এতিয়াহে ইয়াৰ ভিতৰত নিজঞ্জালে এঘণ্টা মান পঢ়া-শুনা কৰিব পাৰিম...মনত পৰিল, কালিও মোৰ বন্ধু চফিকুল জামানৰ লগত 'হেবিটেট'ৰ বিষয়েই কথা পাতিছোঁ—চফিক থাকে চহৰৰ সিমূৰে, ৰে'লালাইনৰ সিপাৰে পাহাৰৰ তলত, মাজে-মাজে সন্ধিয়া তালৈ গৈ (এটা উড্‌পে'কাৰ্ হুইস্কীৰ বটল খুলি লৈ) অলপ সময় কটাওঁ বুলি বহোঁ (লগত পানী বা চ'ডা, কেতিয়াবা ক'কা-ক'লা! আৰু চফিকৰ ঘৈণীয়েক জেবিনে ভাজি দিয়া গৰম-গৰম পকোৰা)—আমি দুয়ো সাধাৰণতে শান্ত স্বৰে কথা কওঁ, কিন্তু তাৰ মাজে-মাজে ৰে'লগাড়ীৰ ধক্‌ধক্ আৰু তীক্ষ্ণ দীঘল উকিয়ে কথা-বাৰ্তা বন্ধ কৰি দিবলৈ বাধ্য কৰে, আৰু ইদানীং আৰম্ভ হৈছে মূৰৰ ওপৰত মাজে-মাজে ধিং-ধাং শব্দ টিনৰ চালিত—সেয়া হ'ল বান্দৰৰ উৎপাত! পিছ পিনৰ পাহাৰবোৰত মানুহে জধে-মধে ঘৰ উঠাইছে, এনেকি দালানো বনাইছে, পাহাৰবোৰৰ শিল ভাঙি মাটি কাটি বাঁহগছ-কলগছ সকলো কাটি তহিলং কৰিছে—ফলত ইমান দিনে পাহাৰত নিৰ্বিঘ্নে নিভৃতে থকা বান্দৰবোৰ তললৈ নামি আহিছে জাকে-জাকে, ঘৰে-দুৱাৰে সোমাই য'ত যি পাইছে খোৱাবস্তু লৈ পলাইছে, বস্তু- বাহানি লণ্ড-ভণ্ড কৰিছে, সৰু ল'ৰা-ছোৱালী বা তিৰোতা মানুহক তো ভয়েই নকৰে, বৰং খেদি আহে—

"বুজিছা ভাই", চফিকে কৈছে, "এইটো এটা ৰেচিপ্ৰকলে্ এ'ফেক্ট্, মানে, আমি বান্দৰবোৰৰ হেবিটেট্ নষ্ট কৰিছোঁ, বান্দৰে আমাৰ হেবিটেট্ ধ্বংস কৰিছে। আমি হাবি-জংঘল তহিলং কৰি হাতীৰ হেবিটেট্ ধ্বংস কৰিছোঁ, হাতীয়ে গাঁও-ভূঁই, খেতিপথাৰ উৎখাত কৰি আমাৰ হেবিটেট্ খাস্তাং কৰিছে—"

"অ", মই কৈছোঁ, "নিউটনৰ থাৰ্ড ল—প্ৰতিটো ক্ৰিয়াৰে আছে সমান আৰু বিপৰীত প্ৰতিক্ৰিয়া।"

"অ', কিন্তু নিউটনৰ লটো ফীজিক্সতে থাকিব লাগিছিল, কিন্তু এতিয়া দেখা নিউটনৰ থাৰ্ড ল আমাৰ ঘৰে-দুৱাৰে সোমাই আহি মোক কি ডাইলেমাত পেলাই দিলে—জেবিন ইয়াত আৰু এক দিনো থাকিবলৈ নাৰাজ। সাৰা দিন সাৰা ৰাত ৰে'লগাড়ীৰ উৎপাত—সেইটোও খাপ খুৱাই লৈ সহ্য কৰি গৈছিলোঁ, কিন্তু এতিয়া তাৰ ওপৰত যদি বান্দৰৰ উৎপাতত টে'ন্স্ হৈ থাকিব লাগে, চব সময় বান্দৰ খেদিবলৈ হুচিয়াৰ হৈ থাকিব লাগে, জেবিন আৰু ইয়াত কোনো মতেই নাথাকে—কিন্তু এতিয়া মই যাওঁৰেই বা ক'লৈ, নতুন ঘৰ-মাটি কৰিবলৈ শক্তি-সামৰ্থ্যই বা ক'ত, আৰু চোৱা ভাই—যাবাই বা ক'ত, চহৰৰ চব জাগাতেইতো সেই একেই দুৰ্ভোগ, একেই অশান্তি—"

খালি গিলাচ দুটাত আৰু অলপ-অলপ উড্‌পে'কাৰ ঢালি পকোৰা এটা মুখত দিছোঁ আৰু কৈছোঁ, "এগ্‌জেক্ট্‌লী। চহৰৰ কোনো ঠায়েই আৰু আজিৰ মানুহৰ হেবিটেট্‌ৰ উপযোগী নহয়। এয়াৰ পলিউশ্যন, ৱাটাৰ পলিউশ্যন, নয়জ পলিউশ্যন, অ'ভাৰ ক্ৰাউডিং, ক্ৰাইম, কৰাপশ্যন—ইন্ ফেক্ট, গোটেই পৃথিৱীখনেই আজি বসবাসৰ বাবে একেবাৰে আন্‌ফিট্"—

চফিকে হুইস্কীত এটা চিন্তিত চুমুক দিছে আৰু কৈছে, "হয় ভাই, আৰু আজি চাৰা দুনিয়াৰ নচিব ঝুলিছে মাফিয়াৰ হাতত, টেৰ'ৰিষ্টৰ হাতত—কোন মুহূৰ্তত কোন পাগল ফাণ্ডামেন্টালিষ্টে নিউক্লিয়াৰ মিছাইলৰ বুটাম টিপি দিব—বেং—বূম্—চব খতম, কোন মাথা খাৰাপ ডিক্টেটৰে কেতিয়া উত্তেজিত হৈ বিষাক্ত বীজাণুৰ চুঙা খুলি দিব—বাচ, উশাহ-নিশাহ নাপাই কলঢপ-কলঢপকৈ চব মৰি থাকিব, চাৰা বায়ুমণ্ডলত খালি ৰেডিঅ' এক্টিভ বিষ—মানে, পাৰিলে এই পৃথিৱী এৰিয়েই পলাব লাগে—"

আমাৰ আবাসথলী পৃথিৱীৰ সম্ভাব্য ভয়ংকৰ ভৱিষ্যতৰ কথা ভাবি গভীৰ আশংকা আৰু দুশ্চিন্তাত আমি নীৰৱে হুইস্কীত চুমুক দিছোঁ আৰু পকোৰা চোবাইছোঁ, তাৰপাছত পৰিৱেশটো পৰিৱৰ্তন কৰিবলৈ মই কৈছোঁ, "ইন্ ফেক্ট, এদিন হয়তো মানুহে সেইটোকে কৰিব লাগিব—জনসংখ্যাৰ বিস্ফোৰণ, স্থানাভাৱ, খাদ্যাভাৱ, ইন্ধন তথা শক্তিৰ অভাৱ, অ'জ'ন হোল, গ্লবেল ৱাৰ্মিং, এইবোৰৰ ফলত বৰফ গলি পৃথিৱী ডুবি যাব, কিবাকৈ পৰমাণু-যুদ্ধ লাগিলে তেজষ্ক্ৰিয়তাৰে বায়ুমণ্ডল বিষাক্ত হৈ যাব, কোনোবা উল্কাপিণ্ডৰ লগত ধাক্কা খাই পৃথিৱী চূৰ্ণ হৈ যাব আৰু কত কি—গতিকে এই বিপদসংকুল পৃথিৱী এৰি মহাকাশৰ কোনো গ্ৰহ-উপগ্ৰহত উপনিৱেশ পাতিবলৈ আৰম্ভ কৰাৰ বাহিৰে আৰুতো উপায়েই নাই—

হুইস্কীখিনি শেষ কৰি আমি কথাটো আৰু অলপ আলোচনা কৰিছোঁ। 'বৰ্তমানৰ আৰু ভৱিষ্যতৰ আবাসথলী' (Habitat—today & tomorrow) বুলি এটা বিশ্বজোৰা সংস্থাৰ পটন হৈছে, নৰৱে নে ফিনলেণ্ডত তাৰ মুখ্য কাৰ্যালয়, ক'ৰ-ক'ৰপৰা জানো তেওঁলোকে বৃহৎ-বৃহৎ অংকৰ অনুদানো পায়, পুস্তিকা প্ৰচাৰ কৰে, ছেমিনাৰ পাতে, ৰেডিঅ'-টিভিত নিজৰ চেনেল্ আছে, ইন্টাৰনেটত এটা ৱেব্‌ছাইটো আছে, মানুহৰ ভৱিষ্যৎ নিৰাপদ আবাসথলীৰ বিষয়ে বিশদ বিশ্লেষণ কৰে, অধ্যয়ন চলায়, পৰিকল্পনা যুগুতায়—তাৰ ভিতৰত মহাকাশৰ কোনো গ্ৰহ-উপগ্ৰহত গৈ সংস্থাপিত হোৱাৰ সম্ভাৱনাও গুণা-গঁথা কৰে—কিন্তু কোনটো গ্ৰহ? সৌৰজগতত মানুহৰ বসবাসৰ বাবে উপযোগী হয়তো মাথোঁ মংগল গ্ৰহ—কোনটো উপগ্ৰহ? বিভিন্ন গ্ৰহৰ নানানটা উপগ্ৰহৰ ভিতৰত হয়তো মাত্ৰ এটা বা দুটা বা হয়তো একেবাৰে সৌৰজগতৰ বাহিৰৰ...

"অ, কাগজত কিবা-কিবি দেখিছোঁ", চফিকে কৈছে, 'ইণ্ডিয়াতো বোলে তেওঁলোকে সিদিনা এটা চেপ্টাৰ খুলিছে—অহা ছেপ্টেম্বৰ মাহত বোলে ত্ৰিবান্দ্ৰম নে লক্ষ্ণৌত তেওঁলোকে এখন ছেমিনাৰো পাতিব—"

“অ, অহা ছেপ্টেম্বৰত।”

বিছনাৰ কাষৰ বাতিটো নুমুৰাই শুই পৰিছোঁ।

*** *** ***

...এনেদৰে আৰু কেইটা মান সন্ধিয়া মোৰ ফুটা আঁঠুৰাৰ হেবিটেট্‌টোৰ ভিতৰত সোমাই কিছু পঢ়া-শুনা কৰিলোঁ (অলপ কষ্ট কৰি কিতাপ-আলোচনী দুখনমান যোগাৰ কৰিছোঁ), কিছু গুণা-গঁথা কৰিলোঁ, দিনৰ ভাগত কিছু আজৰি সময় উলিয়াই লৈ চক্ এখন প্ৰস্তুত কৰিলোঁ, সৌৰজগতৰ কেইটা মান গ্ৰহ-উপগ্ৰহৰ বাসযোগ্যতাৰ সূচক কিছুমান সংখ্যা—সূৰ্যৰপৰা কিমান দূৰত্ব, আবৰ্তন কাল কিমান, কিমান তাপ আৰু পোহৰ পায়, মধ্যাকৰ্ষণ কিমান (দৰকাৰ হ'লে কৃত্ৰিম মধ্যাকৰ্ষণৰ ব্যৱস্থা কৰিব পাৰি নেকি), আৱহমণ্ডলত কি-কি আছে (মিথেইন, এমোনিয়া, এঙাৰ গেছ...হায়, অক্সিজেন দেখোন ক'তো নাই, কিন্তু হয়তো বনাই লোৱা যাব পাৰে?), পানীৰ সম্ভাবনা কিমান, কি-কি কেঁচামাল পোৱা যাব পাৰে, ইত্যাদি-ইত্যাদি—ঠিক এখন বৈজ্ঞানিক গৱেষণা-কাকত নহয়, মাথোঁ বিদিত তথ্য-পাতিৰ ভিত্তিত এখন তুলনামূলক চক, লগতে কেইটামান গ্ৰাফ্...গুণা-গঁথা কৰিলোঁ ‘হেবিটেট্—টুডে এন্ড্ টুমৰ'লৈ কাকতখন পঠিয়াই দিলে কেনে হয় (ছেপ্টেম্বৰত ছেমিনাৰ)...অৱশেষত এদিন বাতিটো নুমাই শুই পৰিব ধৰিছোঁ, এনেতে শুনিলোঁ দুৱাৰমুখৰপৰা এওঁ কৈছে, “শুলা নেকি?”, আধা টোপনিতে মই কৈছোঁ, “অ, কিয়?” “অট'খনৰ কথা কৈ থৈছাতো?”, “অ, কালি পুৱা পাঁচটাতে আহিব বুলি কৈছে।” “অ, শুই পৰা তেনেহ'লে, পুৱা মই চাৰি মান বজাত জগাই দিম, এলাৰ্ম দি থৈছোঁ”, “অ, বা-ৰু”, মই কৈছোঁ আৰু শুই পৰিছোঁ। কালি খুব পুৱাই উৰণ, বিমান-অফিচলৈ ইয়াৰপৰা বেছ দূৰ, ইমান পুৱাই বাছো নাই, অট'খন ঠিক সময়তে আহিলেই হয় এতিয়া—চাৰে পাঁচত এয়াৰ-টাৰ্মিনেলৰপৰা এয়াৰপ'ৰ্টৰ ক'চ্, ছয়ত ৰিপৰ্টিং টাইম—কলিকতাত বিমান বদলি—তাৰপৰা লক্ষ্ণৌ বুলি—ছেমিনাৰৰ বাবে মোৰ কাকতখন গৃহীত হৈছে—

*** *** ***

...লক্ষ্ণৌ—পুৰণিকলীয়া সৌজন্য আৰু খানদানীৰ বাবে বিখ্যাত, কৃষ্টি-সংগীত-সুৰুচি, প্ৰাচীন প্ৰাসাদ আৰু হাভেলীৰ বাবে বিখ্যাত ঐতিহ্যভৰা চহৰ—কিন্তু আজি প্ৰথম দৃষ্টিত দেখাত আন যিকোনো মহানগৰীৰদৰেই, ব্যস্ত জনপ্ৰৱাহ, যান-জঁট, আকাশ-ৰেখাত মাথোঁ সুউচ্চ গগনচুম্বী অট্টালিকা... হোটেল হায়াট্ কনিষ্কৰ সন্মুখত টংগাৰপৰা নামিলোঁ, দুশাৰী ডাঙৰ-ডাঙৰ চিকচিকীয়া ধাতুৰ টাব্‌বোৰত সজাই থোৱা ফুলৰ জোপোহাবোৰৰ মাজেৰে ৰঙা কাৰ্পেট পৰা চিৰিকেইখন উঠিলোঁ, কাঁচৰ প্ৰকাণ্ড প্ৰৱেশ-দ্বাৰৰ বাহিৰত ৰাজস্থানী পাগুৰী আৰু খয়ৰী ৰঙৰ উৰ্দি পিন্ধা দুৱৰীয়ে চালাম ঠুকিলে আৰু দুৱাৰখন মেলি ধৰিলে—ৰিচে'প্‌শ্যন কাউন্টাৰত ‘হেবিটেট'ৰ প্ৰতিনিধি চিদানন্দ শ্ৰীধৰণীয়ে মোক আদৰণি জনালে, মোক লিফ্‌টেৰে তৃতীয় মহলাৰ ২১৮ নং কোঠাত থৈ গ'ল—দুঃখিত, এতিয়া তেওঁ মোক সংগ দিব নোৱাৰে, তলত পাৰ্টিচিপেন্টসকল আহি আছে, সন্ধিয়া ছয়ৰ পাছত ‘এস্ত্ৰজিয়া' বাৰত দেখা হ'ব—“প্লেইনতে আপোনাৰ লাঞ্চ হৈ গৈছে? ভাল কথা, এতিয়া তেনেহ'লে আপুনি মুখ-হাত ধুই অলপ জিৰাওক, ৰুম ছাৰ্ভিচৰ বুটাম এইটো, চাহ-কফি কিবা খায় যদি ৰুমতে আনি দিব—আচ্ছা, ছ' লং।” তেওঁ আৰু বে'ল্-বয়টো যোৱাৰ পাছত ব্ৰীফ্‌কে'ছৰপৰা মোৰ পেইপাৰ্খন উলিয়াই খিৰিকিৰ কাষৰ ৰাইটিং টেবুলখনত থ'লোঁ, তাৰ শ্বে'ড দিয়া ৰিডিং লেম্পটো এবাৰ জ্বলাই চালোঁ—ৰাতি কাকতখন আৰু এবাৰ ৰিভাইছ্ কৰি পঢ়ি চাব লাগিব—তাৰপাছত কোঠাটোৰ চাৰিওপিনে এবাৰ চকু বুলালোঁ, লগে-লগে কিবা এটা অবিশ্বাস আৰু অস্বস্তিত যেন উচপিচ কৰিব ধৰিলোঁ ঃ অ'ক্ কাঠৰ পেনেলিং দিয়া আহল-বহল কোঠা, বাতানুকূল, বেৰ-দুৱাৰ-খিৰিকিৰ ৰং শেঁতা বগা, সোঁমাজত ওলমিছে এটা সৰু বৈদ্যুতিক ঝাড়-লণ্ঠন, তাৰ তলত কাঁচ পৰা এখন চাপৰ কফি-টেবুল, মখমলৰ কুশ্যন পৰা চাৰিখন একে বগা ৰঙৰ বেতৰ চকি, বেৰৰ ইপিনে সিপিনে ভিক্ট'ৰিয়ান আৰ্হিৰ কেইবাটাও বাতি আৰু দুটা টিউব লাইট, বিভিন্ন ছুইছ্, এখন অমৃতা শ্বেৰ-গীলৰ প্ৰিন্ট আৰু এখন কিবা বিদেশী লেণ্ডস্কেইপ, দুটা ৱেইষ্ট পেইপাৰ বাস্কেট, দুটা সৰু-সৰু ডেৰাজৰ ওপৰত শ্লাইডিং পেনেলেৰে ঢকা এটা ৱাৰ্ডৰ'ব্, বাহিৰত এখন দাপোণ, এচুকত এটা ৰঙীন টিভি আৰু এটা হাউছ টেলিফ'ন (সেইটোও পাতল বগা), আচবাব-পত্ৰ কৃত্ৰিম চিপে'নডেইল ফাৰ্নিচাৰৰ আৰ্হিত আখৰোটৰ কাৰুকাৰ্য কৰা, পশ্চিম কোণত এখন এজনীয়া বিছনা আৰু কাষৰ গোল মেজত ঢাক দিয়া এটা বে'ড্-লেম্প, সকলো পৰিপাটি, টিপটপ, চিজিল, ক'তো এটা ধূলিকণা নাই, এক ইঞ্চি মকৰাজাল নাই...এই নিখুঁত সুবিন্যস্ত কোঠাত নো খুশীমতে হাত-ভৰি মেলি দি কেনেকৈ লৰচৰ কৰিম, কামিজটো বা চেণ্ডেলযোৰ য'তে মন যায় দলি মাৰি দি কেনেকৈ য'তে-ত'তে ধুপুচ্‌কৈ বহি পৰিব পাৰিম...হাত-মুখ ধুই ল'বলৈ সংলগ্ন বাথৰুমটোত সোমালোঁ, টাইল্ খচিত বেৰবোৰৰ ৰং শেঁতা কলপতীয়া, পানীৰ টেপ, বেছিন, শ্বাৱাৰ, বাথ টাব্, বিভিন্ন ফিটিংছ্ ঝকঝক কৰিছে, মজিয়াতো টাইল্ নে কাঁচ-মাৰ্বলৰ মজেইক্ ঠিক ধৰিব নোৱাৰিলোঁ, কিন্তু দেখাতেই অতীৱ মসৃণ, যেন ভৰি পিছলি যাব, ভয়ে-ভয়ে খোজ পেলালোঁ, মোৰ ঘৰৰ বাথৰুমৰ পৰিচিত নিল্ অডৰৰ গোন্ধ নহয়, কিব এটা যেন লেভেণ্ডাৰ বা লাইলাকৰ সূক্ষ্ম সুবাস, মুখখন ধুওঁতে-ধুওঁতে মনত খেলালে, নাই, এইটো ক্লিঅ'পেট্ৰাৰ বাথৰুম মই ব্যৱহাৰ কৰিব লাগিলে দেখোন নিৰ্ঘাত কিবা এটা অঘটন...ট্ৰে' আৰু নেপ্‌কিনত H-K মন'গ্ৰাম লিখা, সৰু টী-পট এটাত চাহ আৰু বিস্কুট-পেষ্ট্ৰী আহিল, চাহখিনি সুন্দৰ সুগন্ধি দাৰ্জিলিং লপচু, কিন্তু কাপটোত চুমুক দি আকৌ যেন বিপন্ন অনুভৱ কৰিলোঁ, ৰে'জউড্

পৰ্চেলিনৰ লেখীয়া অতি ঠুনুকা ব'ন্-চাইনাৰ কাপ, ধাৰণা হ'ল এই বোধহয় মোৰ মোটা-মোটা আঙুলিৰ চেপাত প্লেটত থক্‌কৈ নমাই থওঁতে টুংকৈ ভাঙি পৰিব...সকলো বস্তু দেখিছোঁ অতি সাৰধানে, অতি সন্তৰ্পণে আলফুলকৈ ধৰিব-মেলিব লাগিব—যিহওক, নিৰ্বিঘ্নে চাহখিনি শেষ কৰিলোঁ কাপটোৰ কান-টান নভঙাকৈ, তাৰপাছত ভাবিলোঁ এতিয়া কি কৰা যায়, শ্ৰীধৰণীক লগ পাম ছয় বজাৰ পাছত, এতিয়াওতো প্ৰায় ডেৰ ঘণ্টা সময় আছে হাতত—মেজৰ ওপৰৰ ব্ৰচিয়'ৰখনৰপৰা জানিলোঁ যে 'এম্ব্ৰজিয়া'ৰ উপৰি আৰু কেইবাটাও বাৰ আছে হোটেলৰ বিভিন্ন মহলাত—এইটো মহলাতে বাওঁপিনে আছে 'মুঘল-এ-আজম' ডাইনিং-ৰুম (মোগলাই, দক্ষিণ ভাৰতীয়), চতুৰ্থ মহলাত 'মাঃ জং (Mah Jong) ৰিট্ৰিট্' (বিলিয়াৰ্ড্‌ছ, পিং-পং, ব্ৰীজ আৰু হুইষ্ট্ খেলৰ মেজ), ব্যায়াম-ইচ্ছুকৰ বাবে এটা জীম্ (gym), ডেন্স ফ্ল'ৰ, ষষ্ঠ মহলাত হানী বাইট্ (Honey Bite) কাফেটেৰিয়া আৰু কন্‌ফাৰেন্স হল (য'ত কালি আমাৰ ছেমিনাৰখন আৰম্ভ হ'ব), দ্বিতীয় মহলাত 'আৰ্কেডিয়া' ভোজন-কক্ষ (কন্টিনেন্টেল, চাইনিজ্...), আৰু কত কি—পঞ্চম মহলাৰ 'মন্দাকিনী' বাৰটোলৈকে চিৰি বগাই উঠি গ'লোঁ, চিৰিৰ মজিয়াৰ য'ত-য'ত দলিচা নাই তাত মিহি মজেইক, লৰালৰিকৈ যাবলৈ ভয়েই লাগে, 'মন্দাকিনী'ত তেতিয়াও মানুহ জমিবলৈ আৰম্ভ কৰা নাই, আহল-বহল বাৰখনত সিঁচৰতি মাথোঁ দুই-চাৰিগৰাকী মুনিহ-তিৰোতা, ষ্টিৰিঅ'ত মৃদু ভলিউমত 'ৰলিং ষ্টন'ৰ সুৰ এটা বাজি আছে, ড্ৰিংছ কাউন্টাৰৰ পিছ পিনে তিনিজন ডেকা বাৰ্টেন্ডাৰে কাপোৰেৰে গিলাচ মচিছে, পিছ পিনে শাৰী-শাৰী দেশী-বিদেশী সুৰাৰ বটল—যাক, ইয়াতেই কিবা এটা লৈ নিজঞ্জালে অলপ সময় বহা যাওক। খিৰিকিৰে দেখা যায় অনতি দূৰত প্ৰায় এই মহলাটোৰ সমান ওখ এটা মছজিদৰ মিনাৰ, তাত এইপিনে মুখ কৰি এটা লাউড স্পীকাৰ খটোৱা, বোধহয় আজানৰ ধ্বনি এই বাৰটোতো মাজে-মাজে আহি সোমায়; তেতিয়াও বেলিৰ পোহৰ আছে, বহু তলত নামনিত 'হায়াট্ কনিষ্ক'ৰ নীলা ছুইমিং পুল আৰু বেছ কিছু দূৰলৈ ধুনীয়াকৈ গছ জোপোহাৰে লেন্ডস্কেইপিং কৰা ইক'-পাৰ্ক, অ'ত-ত'ত দুই-এখন বেঞ্চি আৰু চকি-মেজ, তাৰো সিপিনে মনিব পৰা দূৰত এডাল অঁকোৰা-পকোৰা সৰু সোণালী ফিটাৰদৰে বৈ গৈছে গোমতী নদী—

"বীয়াৰ, ছাৰ?" "এ, নহয়, বীয়াৰ বাৰু পাছত হ'ব, প্ৰথমতে এটা উড্‌পে'কাৰ হুইস্কী", "উড্‌পে'কাৰ, ছাৰ? উড্‌পে'কাৰতো আজিকালি নচলে—" বাৰ্টেন্ডাৰ বোধহয় গোঁৱাৰ, বুকুৰ নামফলক টুকুৰাত লিখা আছে 'আই ফাৰ্নাণ্ডেজ', মুখখন যেন দাবি গ'ল, বোধহয় তেওঁৰ হিচাপত মোৰ মান কেইবাঘাতো নামি গ'ল। "কিয় নচলিব? আমিতো সদায় উড্‌পে'কাৰেই খাই আহিছোঁ, তোমাৰ এইবোৰতকৈ (পিছপিনৰ জনী ৱাকাৰ, চিভাছ ৰিগেল আদি স্কচ-হুইস্কীৰ বটলবোৰৰ পিনে হাতৰ ভংগী দিলোঁ) তো একো বেয়া নহয়", "হয় ছাৰ", অলপ কুণ্ঠিতভাৱে ফাৰ্নাণ্ডেজে ক'লে, "কিন্তু ইয়াত আমাৰ গেষ্টসকলে এইবোৰকে বিচাৰে তো—", "অ, আমাৰ তাতো আজিকালি বহুতে এইবোৰকে বিচাৰে, বিশেষকৈ কালা-টাকাৱালা আৰু নতুন ধনীবোৰে, ইম্প'ৰ্টেড্ লেবেল নাথাকিলে আজিকালি আৰু ষ্টেটাছ নাথাকে তো—আমি পুৰণিকলীয়া মানুহ, আমি অ'ল্ড্ ৰিলায়েব্‌ল ষ্টাফেই প্ৰে'ফাৰ্ কৰোঁ", ফাৰ্নাণ্ডেজৰ মুখখন আৰু অলপ ক'লা পৰিল, মই ক'লোঁ, "তুমি বোধহয় গোঁৱাৰ, নহয়নে? গোঁৱাৰ মানুহে জানো নকয় যে তেওঁলোকৰ পুৰণি ফে'নিতকৈ পৃথিৱীত আৰু কোনো ভাল পানীয় নাই?" ফাৰ্নাণ্ডেজে অলপ হাঁহিবৰ চেষ্টা কৰিলে, তাৰপাছত ক'লে, "ঠিক আছে ছাৰ, উড্‌পে'কাৰ অনাই দিবা পাৰিম, কিন্তু অলপ দেৰি হ'ব—তাতকৈ মই কওঁ কি ছাৰ, মোৰ পৰামৰ্শ যদি লয়, যদি আমাৰ এই সপ্তাহৰ স্পেচিয়েলটো অলপ খাই চায়—"

গতিকে ফাৰ্নাণ্ডেজৰ পৰামৰ্শমতে 'ডিমিট্ৰিভ্-ডাইকিৰি' এটা ল'লোঁ (মানে ৰাম্ আৰু লাইম জ্যুছৰ কক্‌টেইল) আৰু লগত খাবলৈ দুটামান কানাপে—চুমুক দি দেখিলোঁ বেয়া নহয়, সঁচাকৈয়ে ভাল—ভাবিলোঁ, জনী ৱাকাৰ্ আৰু চিভাছ্ ৰিগেলোতো সঁচাকৈয়ে ভালই, মসৃণ, মৃদু, সুষম আৰু আচলতে অকল কালা-টাকাৱালাই কিয়, আমিও খাওঁ কেতিয়াবা-কেতিয়াবা—আৰু ফাৰ্নাণ্ডেজ ল'ৰাটোও বেয়া নহয়, মিছাকৈয়ে তাক অলপ বেজাৰ দিলোঁ—কিন্তু তাৰ কাৰণটো আন একো নহয়, মাথোঁ এই হোটেলত সোমাবৰেপৰা যিটো অশান্তি আৰু অস্বস্তি অনুভৱ কৰিছোঁ তাৰ উষ্মাটো কিছু বাহিৰ কৰি দিয়া, আন একো নহয়—

ঘড়ী চালোঁ, আৰু কিছু সময় আছে, কিন্তু মনত এটা ইতস্ততঃ ভাব আহিব ধৰিলে—শ্ৰীধৰণীক লগ ধৰিবলৈ যাওঁ নে নাযাওঁ, গ'লে নিশ্চয় আৰু বহুকেইজন ডেলিগেটৰ লগত চিনাকি হ'ব, কিন্তু সকলোৰে লগত তাল মিলাই মিলিবলৈ এতিয়াও যেন মানসিকভাৱে ঠিক প্ৰস্তুত হ'ব পৰা নাই, দীঘল ভ্ৰমণৰ পাছত ভাগৰো লাগিছে—এইবোৰৰ পাছত আকৌ ৰাতি যেনেতেনে এবাৰ মোৰ কাকতখনত চকু ফুৰাই ল'ব লাগিব, শ্ৰীধৰণীয়ে কৈছে যে এ'ক্সট্ৰাটেৰেষ্ট্ৰিয়েল হেবিটেটৰ বিষয়ে আৰু দুখন পেইপাৰ আহিছে জাপান আৰু পলেণ্ডৰপৰা, তেওঁলোকে ১১ তাৰিখেই টেক্‌নিকেল ডিৰেক্টৰ গুষ্টাভ্ যহান্‌ছে'নলৈ মোৰ কাকতখন ফেক্স কৰিছে, ছেমিনাৰত সেই তিনিখন পাঠ কৰাৰ পাছত প্ৰশ্নোত্তৰ-পৰ্বৰ বাবে ড' যহান্‌ছে'নে এটা আধা ঘণ্টাৰ স্লটও নিৰ্দিষ্ট কৰি দিছে—পুৱা প্ৰাতঃৰাশৰ পাছত ন বজাত প্ৰতিনিধি পঞ্জীয়ন, চাৰে দহ বজাত উদ্বোধনী অনুষ্ঠান আৰম্ভ—ৰাতি চাৰে আঠত 'আৰ্কেডিয়া'ত ইতিমধ্যে আহি পোৱা প্ৰতিনিধিসকলৰ লগত ইনফৰ্মেল গে'ট টুগেডাৰ আৰু ডিনাৰ—ইমানজন নতুন চিনাকিৰ লগত সৌজন্য আৰু কথা-বাৰ্তা ঠিক ৰাখিব লাগিব, তেওঁলোকৰ 'উইট এন্ড্ হিউমাৰ'ৰ লগত তাল ৰাখি যাব পাৰিব লাগিব...মনৰ এই অস্থিৰ অসন্তুষ্ট অৱস্থাত সেইবোৰ কি ঠিক চম্ভালিব পাৰিম—নিশ্চয় শ্যেম্পেইনেৰে কোনোবাই কিবা 'ট'ষ্ট' দাঙি ধৰিব, ভদ্ৰতাৰ খাতিৰত ময়ো খাব লাগিব, আগেয়েও অ'ত-ত'ত কেতিয়াবা শ্যেম্পেইন খাবলগীয়া হৈছে, খাই একো যেন নালাগে, কিয় যে তাৰ ইমান কদৰ বুজি নাপাওঁ, মনে-মনে মুখ বিকটাইছোঁ, হয়তো মোৰ খাৰ খোৱা জিভাই এই বহু বন্দিত বুদ্‌বুদিত ফৰাচী পানীয়বিধৰ জুতি বুজি পাবলৈ আৰু বহুবাৰ খাব লাগিব—

...যিহওক, সন্ধিয়াটো পাৰ কৰি দিলোঁ কোনোমতে টানি-ঠেলি, তাৰপাছত বিছনাত উঠিলোঁ, তলৰ কোনোবা মহলাৰপৰা নাচৰ বাজনা অস্পষ্টভাৱে ভাহি আহিছে, বে'ড্ লাইটটো জ্বলাই মোৰ পেইপাৰখন হাতত ল'লোঁ, বাতিটো ওচৰ চপাই ল'বলৈ গৈ দেখিলোঁ বিছনাচাদৰখন সম্পূৰ্ণ অবিভগ্ন বগা নহয়, তাৰ ওপৰতো ঠায়ে-ঠায়ে বুটা দিয়াৰদৰে বগাৰ ওপৰত সূক্ষ্ম নক্সা আছে, ডাঙৰ-ডাঙৰ পাত আৰু সৰু-সৰু কাঁইটেৰে একো-একোটা গোলাপফুল, প্ৰথম দৃষ্টিত চকুত নপৰে—গাৰুৰ গিলিপ ধকধকীয়া বগা, উজ্জ্বল শুভ্ৰ—ইয়াকেই বোধহয় কয় 'দুগ্ধফেননিভ'—গোলাপফুলৰ নক্সাৰ ওপৰত শোৱাৰ অভ্যাস নাই, অৰ্থাৎ আঁঠুৰা নাই (ইয়াত মহ নাই), অৰ্থাৎ মোৰ অভ্যস্ত আঁঠুৰাখনত যে পাই থাকোঁ তাৰ চিনাকি গোন্ধেই নে কিয়েই সেইটোও নাই—নাঃ, বৰ ভাগৰো লাগিছে, এতিয়া শুই পৰোঁ, কালি পুৱাই উঠি বে'ড্ টী একাপ খাই লৈ কাকতখনত দ্ৰুত চকু ফুৰাই ল'ম...লাইটটো নুমাই দি শুই পৰিবৰ চেষ্টা কৰিলোঁ, বহু সময়লৈ ইকাতি-সিকাতি কৰি কটালোঁ, তাৰপাছত বোধহয় অলপ পাতল টোপনি আহিল...হঠাৎ সাৰ পালোঁ, ধাৰণা হ'ল যেন কিহবাই গোটেই শৰীৰটো হানিছে, মহৰ কামোৰ নহয়—অ' নহয়, গোলাপৰ কাঁটাবোৰে দেহটো বিন্ধিবলৈ আৰম্ভ কৰি দিছে—উপায় নাই—মনত খেলালে, ইয়াতনো আৰু দুটা ৰাতি কেনেকৈ কটাম—আৰু, পৃথিৱীৰ বাহিৰৰ আবাসথলীৰ বিষয়ে জল্পনা-কাকত পাঠ কৰিয়েই বা কি হ'ব, ইমান লাখ-লাখ বছৰৰ বিৱৰ্তনৰ পাছত আজি আমি মানুহ জাতিয়ে ভালে-বেয়াই কোনোমতে এইখন পৃথিৱীত বৰ্তি থাকিবলৈ শিকিছোঁ মাত্ৰ, পৃথিৱীৰ বাহিৰৰ ক'ৰবালৈ গৈ নিজক খাপ খুৱাই ল'বলৈ আৰু বা কিমান লাখ বছৰ লাগিব...মোৰ জীৱনৰ ষাঠি বছৰীয়া বিৱৰ্তনৰ পাছতো নিজৰ অভ্যস্ত বিছনাখন এৰি 'হায়াট কনিষ্ক'ৰ বিছনাখনতে এতিয়ালৈকে শুব পৰা নাই, কি হ'ব মিছামিছি পেইপাৰ পঢ়ি—কালি কিবা এটা অচিলা বাহিৰ কৰি, কিবা এটা জৰুৰী অজুহাত বাহিৰ কৰি ঘৰলৈ উভতিয়েই যাওঁ নেকি...কিছু সময় উচপিচ কৰি আকৌ শুই পৰিছোঁ, তাৰপাছত আকৌ সাৰ পাইছোঁ, আকৌ কিহবাই হানিছে—নাই, গোলাপৰ কাঁইট নহয়, মহৰ কামোৰেই হয়, কাণত মহৰ কুণকুণনিও শুনা পাইছোঁ, কিবাকৈ মহ সোমাইছে, মহটো মাৰিবলৈ গৈ মোৰ বিছনাৰ আঁঠুৰাতে হাতখন লাগিল, অ', কিবাকৈ আঁঠুৰাৰ ফুটাত লগাই থোৱা এওঁৰ কাপোৰ মেলা ক্লিপটো খুলি গৈছে...কোঠাত পুৱাৰ পোহৰ সোমাইছে...যাওক, ৰক্ষা !...

*** *** ***

পুৱা চাহৰ মেজত বহি মোৰ পুৰণি কাপটোত তৃপ্তিৰ চুমুক দিছোঁ, এতিয়া মনত পৰিছে লক্ষ্ণৌৰ হোটেলৰ কথা পঢ়িছিলোঁ তালৈ ছেমিনাৰ দিবলৈ যোৱা মানুহ এজনৰ এটা নিবন্ধত—এওঁ কৈছে, "তুমি ঠিকেই কৈছিলা, নতুন কাপ-প্লেটকেইযোৰ আলহী-টালহী আহিলে উলিওৱাই ভাল, কালি বায়ে নতুন কাপ এটাৰ ঠেনুডাল ভাঙিলেই—তোমাক আকৌ তোমাৰ আগৰ কাপটোকে দিছোঁ দিয়া—দগধা কান ভগা কাপত খাই ভাল পোৱা, খোৱা তাতেই, আত্মা ঠাণ্ডা পৰক—কিন্তু তোমাৰ দেখিছোঁ সঁচাকৈয়ে ভাল ৰুচি-টুচি চব গ'ল, ৰাম-ৰাম—"